Opening of Coaching Centre for the preparation of State and Central level Competitive Examinations

26-Nov-2025

# অʼমেন কলেজ তিনিচুকীয়াত আগন্তুক বৰ্ষৰ জানুৱাৰীৰ পৰা আৰম্ভ হʼব সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ কʼচিং চেণ্টাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, তিনিচুকীয়া, ২৫ নৱেম্বৰ ঃ** উজনি অসমৰ বিশেষকৈ তিনিচুকীয়া জিলাৰ একাংশ শিক্ষাবিদ আৰু সমাজ সচেতন অভিভাৱকৰ দীৰ্ঘদিনৰ চিন্তাক বাস্তৱ ৰূপ দিয়াৰ প্ৰয়াসেৰে তিনিচুকীয়াৰ মহিলা শিক্ষাৰ এখন অন্যতম আৰু ঐতিহাসিক উচ্চ শিক্ষাৰ অনুষ্ঠান অʼমেন কলেজ তিনিচুকীয়াত প্ৰতিযোগিতামূলক পৰীক্ষা দিব পৰাকৈ কʼচিং চেণ্টাৰ আৰম্ভ কৰা হʼব বুলি সদৰী কৰা হৈছে। আজি কলেজখনত আয়োজন কৰা এক সংবাদ মেলত অধ্যক্ষ ড° মৃগাংক চৌধুৰীয়ে উল্লেখ কৰি কয় যে, সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাসমূহ অধিক সু-সংগঠিত আৰু ফলপ্ৰসু কৰিবলৈ ইতিমধ্যে স্মাৰ্ট আইএএছ একাডেমী আৰু অʼমেন কলেজ, তিনিচুকীয়াৰ উদ্যোগত এটি উন্নতমানৰ কʼচিং চেণ্টাৰ মুকলি কৰিবলৈ সকলো ধৰণৰ প্ৰস্তুতিৰে কলেজ কৰ্তৃপক্ষই আগবাঢ়িছে। ইয়াৰ জৰিয়তে অসমৰ আৰু দিল্লীৰ বিশিষ্ট তত্ত্বাৱধায়ক শিক্ষকসকলৰ দ্বাৰা এপিএছচি, ইউপিএছচি, এডিআৰই, এছএছচি, ডিএমই, ডিএইছই, এছআই অসম আৰক্ষী আৰু বেংকিং আদি বিভিন্ন বিষয়ৰ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সু-নিৰ্ধাৰিত পাঠ্যক্ৰমৰ ভিত্তিত অনলাইন আৰু অফলাইন দুয়োটা মাধ্যমেৰে শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হʼব বুলি জানিবলৈ দিয়ে। প্ৰকাশ কৰা অনুসৰি উজনিৰ সৰহসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে গ্ৰামাঞ্চলৰ পৰা আহি তিনিচুকীয়া, ডুমডুমা, ডিগবৈ, মাৰ্ঘেৰিটা চহৰত থকা বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত অধ্যয়ন কৰে। স্নাতক পৰীক্ষা উত্তীৰ্ণৰ পিছত আগ্ৰহী একাংশ মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে নিজৰ লক্ষ্য স্থিৰ কৰা সত্ত্বেও অৰ্থনৈতিক কাৰণত আন ঠাইলৈ কʼচিং কৰিবলৈ যাবলৈ সক্ষম নহয়। ফলত নিজৰ লক্ষ্যত উপনীত হʼবলৈ বা ভৱিষ্যৎ গঢ়িবলৈ ভাল কʼচিং লাভৰ পৰা বঞ্চিত হʼবলগীয়া হয়। সেয়েহে সকলো দিশ চালিজাৰি চাই ন্যূনতম মূল্যৰ বিনিময়ত লগতে ছাত্ৰ-ছাত্ৰীৰ পৰিয়ালৰ সুবিধা হোৱাকৈ কিস্তি হিচাপত প্ৰশিক্ষণৰ মাচুল গ্ৰহণ কৰাৰো লক্ষ্য লোৱা হৈছেবুলি সংবাদ মেলত জানিবলৈ দিয়ে। উল্লেখ্য যে কʼচিং চেণ্টাৰৰ গুণগত মানৰ বাবে বিনামূলীয়া কাউন্সেলিং ছেছন আৰু ডেমো ক্লাছ অহা ৮ ডিচেম্বৰত আৰম্ভ হʼব আৰু সেইদিনাই ইচ্ছুকসকলে নামভৰ্তিও কৰিব পাৰিব। নিয়মিত ক্লাছসমূহ ১৭ জানুৱাৰী ২০২৬ ৰ পৰা আৰম্ভ কৰা হʼব। শিক্ষাৰ্থীক অধিক সুযোগ প্ৰদান কৰাৰ অভিপ্ৰায়েৰে আৰম্ভ কৰিবলৈ লোৱা কʼচিং চেণ্টাৰত শিক্ষা গ্ৰহণৰ বাবে তেনেই কম পৰিমাণৰ মাচুল দিব লাগিব। শিক্ষাৰ্থীসকলৰ সুবিধাৰ বাবে কিস্তি হিচাপত মাচুলসমূহ দিব পৰাৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক পৰীক্ষা অনুষ্ঠিত কৰি উত্তীৰ্ণৰ ভিত্তিত পাঁচগৰাকীক বিনামূলীয়াকৈ কʼচিং কৰিবলৈ সুবিধা প্ৰদান কৰা হʼব বুলিও সংবাদ মেলত সদৰী কৰে। শিক্ষয়িত্ৰী নাৰ্জি বৰুৱাই আঁত ধৰা সংবাদ মেলত আই কিউ এ চিৰ কো-অৰ্ডিনেটৰ ড° সুৰভী দত্ত আৰু চিচিপিচি, ডব্লিউ চি টিৰ কো-অৰ্ডিনেটৰ ঋতুৰাজ বড়া উপস্থিত থাকে।